**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-06-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

----------------------------

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। পশু পালন আৰু পশু চিকিৎসা বিভাগত ৪৪৩ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, পৰ্যটন বিভাগত ১২ গৰাকী পৰ্যটন উন্নয়ন বিষয়া আৰু শিক্ষা বিভাগত ২৩ গৰাকী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা তথা ৩ গৰাকী ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই উপলক্ষে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কালি পৰ্যন্ত বিভিন্ন বিভাগত এক লাখ ২০ হাজাৰ ৩৫৯ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

কাছাৰ জিলাৰ কালাইন-শিলচৰ পথৰ ভাংগাৰপাৰৰ হাৰং নদীৰ ওপৰৰ দলংখন যোৱা মঙলবাৰে নিশা ভাগি পৰাত ৰাজ্যৰ অন্যান্য অংশৰ সৈতে বৰাক উপত্যকাৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। কালাইন-শিলচৰ পথৰ অন্যতম গুৰুত্বপূৰ্ণ সংযোগী দলংখনত নিশা দুখন অতিৰিক্ত বোজাই কৰা ট্ৰাক পাৰ হৈ যোৱাৰ সময়তে ভাগি পৰে। এই দলংখন ভাগি পৰাৰ ফলত গুৱাহাটীৰ পৰা শিলচৰ, হাইলাকান্দি, শ্ৰীভূমি, ত্ৰিপুৰা আৰু মিজোৰামলৈ পথৰ সংযোগ বিচ্ছিন্ন হৈ পৰিছে। এই দুৰ্ঘটনাৰ খবৰ পোৱা মাত্ৰেই কাছাৰৰ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰি ঘটনাৰ উচিত তদন্তৰ আশ্বাস দিয়ে।

উল্লেখযোগ্য যে যোৱা ২১ মে'ত কাটিগড়াৰ গেমন দলংখন মেৰামতিৰ বাবে বন্ধ কৰি দিয়াৰ পাছত বিকল্প হিচাপে ভাংগাৰপাৰ দলংখন যাতায়াতৰ বাবে মুকলি কৰি দিয়া হৈছিল।

০০০০০০

গুৱাহাটী মহানগৰীৰ পাণ্ডুৰ শদিলাপুৰত আৰক্ষীয়ে কালি অভিযান চলাই প্ৰাঞ্জল দাস নামৰ এজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰিবলৈ সমৰ্থ হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ পৰা আৰক্ষীয়ে ১০ টা হেৰ'ইন ভৰ্তি কণ্টেইনাৰ জব্দ কৰে। ধৃত প্ৰাঞ্জল দাস বৰ্তমান জালুকবাৰী আৰক্ষীৰ জিম্মাত আছে। ইপিনে, মহানগৰীৰ পাণবজাৰ আৰক্ষীয়ে কালি বুজন পৰিমাণৰ ড্ৰাগ্‌ছসহ জহুৰা পাৰবিন নামৰ এগৰাকী ড্ৰাগছ সৰবৰাহকাৰী মহিলাক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে মহিলাগৰাকীৰ পৰা হেৰ'ইন ভৰ্তি ৫০ টা কণ্টেইনাৰ আৰু নগদ টকা জব্দ কৰে। আৰক্ষীৰ আন এটা অভিযানত সাতগাঁৱৰ পৰা ৰোহিত আলী আন এজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰি ড্ৰাগ্‌ছৰ কেইবাটাও খালী কণ্টেইনাৰ উদ্ধাৰ কৰে। দুয়োগৰাকী সৰবৰাহকাৰীক আৰক্ষীয়ে বৰ্তমান জেৰা চলাই আছে।

০০০০০০

অসম আৰক্ষীয়ে দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ অধীনত এই পৰ্যন্ত ৯৪ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। শেহতীয়াকৈ কামৰূপ আৰক্ষীয়ে

ছফিকুল হক নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। সামাজিক মাধ্যমত পাকিস্তানক সমৰ্থন কৰি প'ষ্ট দিয়াৰ উপৰি বিভিন্ন ছিমকাৰ্ড ব্যৱহাৰ কৰা ছফিকুলক নিৰন্তৰ নিৰীক্ষণৰ পাছত আৰক্ষীয়ে কালি নলবাৰীৰ পৰা গ্ৰেপ্তাৰ কৰে।

০০০০০০

ওদালগুৰি জিলা প্ৰশাসনৰ উদ্যোগত ধৰিত্ৰী আবা জন ভাগিদাৰী অভিযানৰ অধীনত ওদালগুৰি জিলাৰ বিভিন্ন ব্লক আৰু ভি চি ডি চি এলেকাত দৈনিক শিবিৰ অনুষ্ঠিত হৈ আহিছে। এই শিবিৰৰ জৰিয়তে জনসাধাৰণক আধাৰকাৰ্ডৰ নামভৰ্তি, বিধৱা আৰু দিব্যাংগ পেন্সনৰ বাবে আবেদন আৰু সাহায্য, প্ৰধানমন্ত্ৰীৰ ফচল বীমা যোজনাৰ অধীনত পঞ্জীয়ন আৰু আন বহুতো কল্যাণমূলক আঁচনি আৰু প্ৰাপ্যৰ ক্ষেত্ৰত সেৱা আগবঢ়োৱা হৈছে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া এছ'চিয়েচনৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কাকতিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ১ জুলাইত ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰ কেইখন ১ জুলাইৰ দিনৰ আঢ়ৈ বজাত আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই সেইদিনা দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। সেইদিনাই সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এটা বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীৰ ৭৭ বছৰ ইতিহাসত এইয়ে প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আজি অংগনৱাড়ী কৰ্মীলৈ স্মাৰ্ট ফোন বিতৰণৰ এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আমিনগাঁৱত অৱস্থিত গুৱাহাটী বায়'টেক পাৰ্কত হ'বলগীয়া এই অনুষ্ঠানত অসম চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

**সমাপ্ত**